**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date : 25-12-2025** **Time : 1205 Hrs**

***Assamese Midday Bulletin***

----------------------------

## ***Headlines***

১। খেৰণিৰ হিংসাত্মক ঘটনাত মৃত্যু হোৱা দুজন লোকৰ পৰিয়াললৈ ৫ লাখ টকাকৈ আৰ্থিক সাহায্য।

২। প্ৰধানমন্ত্ৰীয়ে অহা ১৭ জানুৱাৰীত কাজিৰঙাৰ এলিভেটেড কৰিডৰৰ আধাৰশিলা স্থাপন কৰিব বুলি কৃষিমন্ত্ৰী অতুল বৰাৰ প্ৰকাশ।

৩। আজি পবিত্ৰ বৰদিন। বিশ্বৰ অন্যান্য প্ৰান্তৰ লগতে ৰাজ্যতো উলহ-মালহেৰে বৰদিন উদযাপন।

আৰু

৪। গৌৰীপুৰ আৰক্ষীৰ এগৰাকী সন্দেহজনক বাংলাদেশী মহিলাক আটক।

০০০০০০০

পশ্চিম কাৰ্বি আংলং জিলাৰ খেৰণিৰ পৰিস্থিতি কালিৰে পৰা নিয়ন্ত্ৰণত আছে। কাইলৈ প্ৰতিবাদকাৰী, কাৰ্বি স্বায়ত্তশাসিত পৰিষদ আৰু ৰাজ্য চৰকাৰৰ মাজত ত্ৰিপাক্ষিক আলোচনা হোৱাৰ কথা আছে। শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে খেৰণি ফেংলাপিত আমৰণ অনশন কৰি থকা কাৰ্বি সম্প্ৰদায়ৰ সদস্যসকলক সাক্ষাৎ কৰাৰ পাছত প্ৰতিবাদকাৰীসকলে অনশন কাৰ্যসূচী প্ৰত্যাহাৰ কৰিবলৈ আৰু ত্ৰিপাক্ষিক আলোচনাৰ বাবে সন্মতি প্ৰকাশ কৰে।

কাৰ্বি আংলঙৰ হিংসাত্মক ঘটনাত প্ৰাণহানি হোৱা লিনাছ্ ফাংছো আৰু সূৰজ দে'ৰ পৰিয়ালক কাৰ্বি স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য তুলিৰাম ৰংহাঙে সমবেদনা প্ৰকাশ কৰাৰ লগতে ভুক্তভোগীৰ পৰিয়াললৈ ৫ লাখ টকাকৈ সাহায্য আগবঢ়ায়। তেওঁ লগতে এই কঠিন পৰিস্থিতিত সমাজৰ সকলো শ্ৰেণীৰ লোককে শান্তি আৰু সংযম বৰ্তাই ৰাখিবলৈ আহ্বান জনায়।

আৰক্ষী সঞ্চালকপ্ৰধান হৰমিত সিঙে কাৰ্বি আংলঙত বাহৰ পাতি আইন শৃংখলা পৰিস্থিতিৰ ওপৰত চোকা দৃষ্টি ৰাখিছে।

০০০০০০০০

অহা ১৭ জানুৱাৰীত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাজিৰঙাৰ বহু প্ৰত্যাশিত এলিভেটেড কৰিডৰৰ আধাৰশিলা স্থাপন কৰিব বুলি বোকাখাতত কালি কৃষিমন্ত্ৰী অতুল বৰাই এই কথা প্ৰকাশ কৰে। তেওঁ লগতে কেন্দ্ৰীয় কেবিনেটে কলিয়াবৰৰ পৰা নুমলীগড়লৈ মুঠ ৮৬ কিলোমিটাৰ দৈৰ্ঘ্যৰ চাৰিলেনযুক্ত পথ আৰু কাজিৰঙা এলিভেটেড কৰিডৰৰ বাবে ৬ হাজাৰ ৯৫৭ কোটি টকাৰ অনুমোদন জনাইছে বুলি উল্লেখ কৰে। এই এলিভেটেড কৰিডৰে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ বন্যপ্ৰাণীসমূহৰ জীৱন সুৰক্ষিত হ'ব বুলি আশা কৰা হৈছে। তেওঁ লগতে কয়, যে প্ৰধানমন্ত্ৰীগৰাকীয়ে কাজিৰঙাত নিশা কটাই যোৱাৰ পাছতে ৰাষ্ট্ৰীয় উদ্যানখনলৈ পৰ্যটকৰ আগমন বৃদ্ধি পোৱা পৰিলক্ষিত হৈছে।

০০০০০০০

জনপ্ৰিয় লেখক আমিশ ত্ৰিপাঠীয়ে বীৰ লাচিত বৰফুকনৰ বীৰত্বক লৈ গ্ৰন্থ ৰচনাৰ পোষকতা কৰিছে। অসম প্ৰকাশন পৰিষদৰ উদ্যোগত কালি আৰম্ভ হোৱা গ্ৰন্থমেলাত উপস্থিত থাকি বিশিষ্ট লেখকগৰাকীয়ে মনৰ ভাব এনেদৰে ব্যক্ত কৰে।

বাইট

অসম প্ৰকাশন পৰিষদৰ উদ্যোগত আৰু সদৌ অসম পুথি প্ৰকাশক আৰু বিক্ৰেতা সংস্থাৰ সহযোগত কালিৰে পৰা খানাপাৰাৰ পশু চিকিৎসা মহাবিদ্যালয়ৰ খেলপথাৰত অসম গ্ৰন্থমেলা অনুষ্ঠিত হৈছে। অনুষ্ঠানটোত শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৰ লগতে সন্মানীয় অতিথি হিচাপে মুম্বাইৰ প্ৰসিদ্ধ লেখক আমিশ ত্ৰিপাঠী আৰু বিশিষ্ট অতিথি হিচাপে অসম সাহিত্য সভাৰ সভাপতি বসন্ত কুমাৰ গোস্বামী উপস্থিত থাকে। ৬ জানুৱাৰীলৈকে হ'বলগীয়া গ্ৰন্থমেলাৰ উদ্বোধনী অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰি **যুৱ লেখক সন্মান ২০২৫** লাভ কৰা ৰাজ্যৰ ৪০ বছৰ অনুৰ্দ্ধ ৮১৮ গৰাকী যুৱ লেখক-লেখিকাক সম্বৰ্ধনা জনায়।

০০০০০০০

আজি পবিত্ৰ বৰদিন। বিশ্বৰ অন্যান্য প্ৰান্তৰ লগতে অসমতো খ্ৰীষ্টধৰ্মী লোকসকলে কালি মাজনিশাৰে পৰা পৱিত্ৰ বৰদিন উপলক্ষে  সমূহীয়া প্ৰাৰ্থনা কৰে। ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ গীৰ্জাসমূহ বৰদিন উপলক্ষে আলোকসজ্জাৰে সজ্জিত কৰা হৈছে। যোৱানিশাৰে পৰা গুৱাহাটী মহানগৰীৰ পাণবজাৰৰ ব্যাপ্তিষ্ট চাৰ্চ, পাণবজাৰৰ ডনবস্ক', খ্ৰীষ্টানবস্তি, সোণাইঘূলিকে ধৰি বিভিন্ন স্থানৰ গীৰ্জাসমূহ কেৰলৰ ধ্বনিৰে মুখৰিত হৈ উঠে।

প্ৰভু যীশুৰ প্ৰাৰ্থনাৰ বাবে কালি সন্ধিয়াৰে পৰা গীৰ্জাসমূহত অগনন লোকৰ সমাগম হোৱা পৰিলক্ষিত হয়। আলোকসজ্জা, খ্ৰীষ্টমাছ ট্ৰী, ৰং-বিৰঙী ফুল, তৰা আদিৰে গীৰ্জাৰ লগতে খ্ৰীষ্টধৰ্মী লোকসকলৰ বাসগৃহসমূহো সজাই তোলা হৈছে। আজি পুৱাৰ ভাগতো বৰদিন উপলক্ষে সমূহীয়া প্ৰাৰ্থনা, আলোচনা সভা আদি অনুষ্ঠিত হৈছে।

উত্তৰ-পূব ভাৰতৰ প্ৰথম গীৰ্জা ঘৰ হিচাপে পৰিচিত শিৱসাগৰ জিলাৰ ব্যাপ্টিষ্ট মণ্ডলীৰ গীৰ্জাঘৰত বৰদিনৰ আয়োজন কৰা হৈছে। বৰপুখুৰীৰ পাৰত অৱস্থিত এই গীৰ্জাঘৰত শিৱসাগৰ জিলাৰ খ্ৰীষ্টীয় সমাজে সদ্যপ্ৰয়াত জনপ্ৰিয় শিল্পী জুবিন গাৰ্গৰ আকস্মিক মৃত্যুত গভীৰভাৱে শোকাহত হৈ বৰদিন উদযাপন নকৰাৰ সিদ্ধান্ত লৈছিল। সেই সিদ্ধান্ত অনুসৰি বৰদিন উপলক্ষে এই বছৰ শিৱসাগৰ খ্ৰীষ্টীয় সমাজে আলোকসজ্জা, প্ৰীতিভোজ আৰু অন্যান্য কাৰ্যসূচী বাতিল কৰিছে। এই সন্দৰ্ভত খ্ৰীষ্টমণ্ডলীৰ সম্পাদক অজয় কুমাৰ বেথেলে এইদৰে কয় –

বাইট

ৰাজ্যৰ প্ৰথম পৰিষ্কাৰ আৰু স্বচ্ছ গাঁও হিচাপে পৰিচিত গোৱালপাৰা জিলাৰ ৰাংচাপাৰা গাঁওখনক বিভিন্ন আলোকসজ্জাৰে সজাই তোলাৰ লগতে খ্ৰীষ্টধৰ্মী লোকসকলে ঘৰে ঘৰে বিভিন্ন খাদ্য প্ৰস্তুত কৰিছে। গোৱালপাৰা নগৰৰ বাপুজী নগৰত থকা একমাত্ৰ গীৰ্জাঘৰতো বৰদিন পালন কৰা হৈছে। তদুপৰি অসম-মেঘালয় সীমান্তৰ খ্ৰীষ্টধৰ্মী গাৰো সম্প্ৰদায়ৰ লোকসকলেও বৰদিন পালন কৰিছে।

বিশ্বনাথ জিলাৰ বিভিন্ন প্ৰান্তৰ লগতে গহপুৰ সম-জিলাতো খ্ৰীষ্টধৰ্মী লোকসকলে উলহ-মালহেৰে বৰদিন উদযাপন কৰিছে।  খ্ৰীষ্টমাষ্ট ট্ৰী, বেটাৰী চালিত চাণ্টা ক্লজ, ৰং-বিৰঙী আলোকসজ্জাৰে বিপণীসমূহ

ভৰি পৰিছে। গহপুৰ অঞ্চলৰ খ্ৰীষ্ট ধৰ্মাৱলম্বী লোকসকলৰ লগতে এই বিপণীসমূহত অৰুণাচল প্ৰদেশৰ পৰা বহু গ্ৰাহকৰ আগমন ঘটা পৰিলক্ষিত হৈছে।

কোকৰাঝাৰ জিলাত উৎসাহ-উদ্দীপনা আৰু ভক্তি সহকাৰে খ্ৰীষ্টধৰ্মী লোকসকলে বৰদিন পালন কৰিছে। মাজনিশা কেৰলৰ ধ্বনিৰে গীৰ্জাসমূহ মুখৰিত হয়।

ওদালগুৰি জিলাতো বৰদিন উপলক্ষে উৎসৱমুখৰ পৰিৱেশে বিৰাজ কৰিছে। জিলাখনৰ গীৰ্জাসমূহ সজাই-পৰাই তোলা হৈছে।

বৰাক উপত্যকাৰ জিলা কেইখনতো বৰদিনৰ উছাহ পৰিলক্ষিত হৈছে। শিলচৰৰ ৰামকৃষ্ণ মিচন সেৱাশ্ৰমত কালি এই উপলক্ষে যীশু আৰাধনাৰ আয়োজন কৰা হয়। কালি সন্ধিয়া প্ৰভু যীশুৰ প্ৰতিমূৰ্তিৰ সন্মুখভাগ মমবাতি আৰু ফুলেৰে সজাই তোলা হয়। এই উপলক্ষে বিশেষ প্ৰাৰ্থনা সংগীত আৰু কেৰল পৰিৱেশন কৰা হয়।

বৰদিন উপলক্ষে উত্তৰ-পূবৰ অনান্য ৰাজ্যকেইখন বিশেষকৈ চুবুৰীয়া ৰাজ্য মেঘালয়ৰ ৰাজধানী শ্বিলং নগৰী আটক ধুনীয়াকৈ সজাই তোলা হৈছে। প্ৰায় এসপ্তাহ পূৰ্বৰে পৰা নগৰখনত বৰদিনক লৈ ব্যস্ততা পৰিলক্ষিত হৈছে। কালি সন্ধিয়াৰে পৰা বৰদিনৰ প্ৰাৰ্থনাৰ বাবে শ্বিলঙৰ গীৰ্জাঘৰলৈ বহু লোকৰ আগমন হয়। বৰদিনৰ আনন্দ উপভোগৰ বাবে শ্বিলঙলৈ দেশ-বিদেশৰ বহু পৰ্যটকৰ আগমন ঘটাও দেখা গৈছে। কোহিমা, আইজল, তুৰাকে ধৰি উত্তৰ-পূৰ্বাঞ্চলৰ বিভিন্ন স্থানৰ পৰা বৰদিনৰ প্ৰাক সন্ধিয়া আনন্দ-উল্লাসৰ পৰিৱেশ সৃষ্টি হৈছে।

ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই পবিত্ৰ বৰদিন উপলক্ষে ৰাজ্যৰ সকলো জনসাধাৰণ বিশেষকৈ খ্ৰীষ্টধৰ্মী লোকসকলক ওলগ জনাইছে। এই উপলক্ষে দিয়া এটা বাৰ্তাত ৰাজ্যপালগৰাকীয়ে কয় যে যীশুখ্ৰীষ্টৰ জন্মদিন উপলক্ষে আয়োজিত এই উৎসৱে আমাক দয়া, কৰুণা আৰু নিস্বাৰ্থ সেৱাৰ অমূল্য - প্ৰমূল্যৰাজিৰ বিষয়ে সোঁৱৰাই দিয়ে। ৰাজ্যপালগৰাকীয়ে লগতে সদিচ্ছা আৰু সম্প্ৰীতিৰ এনাজৰী সুদৃঢ় কৰি এই উৎসৱ পালন কৰিবলৈ জনসাধাৰণৰ প্ৰতি আহ্বান জনায়।

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই বৰদিন উপলক্ষে আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিছে। তেওঁ লগতে প্ৰভু যীশুৰ আশীৰ্বাদে সমাজৰ পৰা অপশক্তি নাশ কৰি শান্তি-সম্প্ৰীতি আৰু ভাতৃত্ব বোধৰ এনাজৰী সুদৃঢ় কৰিব বুলি আশা প্ৰকাশ কৰে।

0000000

আকাশবাণীৰ সঞ্চালক প্ৰধানৰ নিৰ্দেশমৰ্মে বাতৰি বিভাগে আৰম্ভ কৰা বিশেষ প্ৰাসঙ্গিক অনুষ্ঠানত আজি বিয়লি ৩ বাজি ৫ মিনিটত শোণিতপুৰ জিলাত ৰূপায়িত ৰাজ্য আৰু কেন্দ্ৰীয় চৰকাৰৰ স্বাস্থ্যকেন্দ্ৰিক আঁচনি সন্দৰ্ভত জিলাখনৰ যুটীয়া স্বাস্থ্য সেৱা সঞ্চালক ড° বিমান শৰ্মাৰ সৈতে হোৱা এটি সাক্ষাৎকাৰ প্ৰচাৰ কৰা হ'ব। সাক্ষাৎ গ্ৰহণ কৰিব আমাৰ শোণিতপুৰ জিলাৰ সংবাদদাতা ৰজত ভৰদ্বাজে। অনুষ্ঠানটি নিশা ৯ বাজি ১৫ মিনিটত পুনৰ প্ৰচাৰ কৰা হ'ব।

0000000

প্ৰয়াত প্ৰধানমন্ত্ৰী, ভাৰতৰত্ন অটল বিহাৰী বাজপেয়ীৰ জন্ম দিনৰ সৈতে সংগতি ৰাখি কালি বিজেপিৰ প্ৰতিটো জিলা কাৰ্যালয়ত বন্তি প্ৰজ্বলনেৰে নেতাগৰাকীলৈ শ্ৰদ্ধা তৰ্পণ কৰা হয়। কেন্দ্ৰীয় বন্দৰ, জাহাজ আৰু জলপথ মন্ত্ৰী তথা সাংসদ সৰ্বানন্দ সোণোৱালে কালি ডিব্ৰুগড় জিলা বিজেপিৰ কাৰ্যালয়ত দীপোৎসৱ পালন কৰি নেতাগৰাকীলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। অনুষ্ঠানত মন্ত্ৰী প্ৰশান্ত ফুকন, বিধায়ক টেৰচ

গোৱালা, পৌৰ নিগম আৰু পঞ্চায়তৰ নিৰ্বাচিত প্ৰতিনিধিসকলৰ লগতে দলীয় কৰ্ম-কৰ্তাসকল উপস্থিত থাকে।

০০০০০০০

ধুবুৰীৰ গৌৰীপুৰ আৰক্ষীয়ে কালি এগৰাকী সন্দেহজনক বাংলাদেশী মহিলাক আটক কৰে। বাংলাদেশৰ পৰা দুষ্টচক্ৰই মহিলাগৰাকীৰ জৰিয়তে আধাৰকাৰ্ড প্ৰস্তুত কৰি দিল্লীত বিক্ৰী কৰাৰ অভিযোগ উত্থাপন হৈছে। সন্দেহজনক মহিলাগৰাকীয়ে দিল্লীৰ পৰা পলাই আহি কোচবিহাৰৰ গৌৰীপুৰত উপস্থিত হোৱাৰ পাছতে আৰক্ষীয়ে আটক কৰে। গৌৰীপুৰ আৰক্ষীয়ে সমগ্ৰ বিষয়ৰ তদন্ত অব্যাহত ৰাখিছে। আৰক্ষীৰ প্ৰাথমিক তদন্তত ৯ গৰাকীকৈ মহিলাক কামৰ বাবে বাংলাদেশৰ পৰা ভাৰতলৈ ভাৰতলৈ অবৈধভাৱে সৰবৰাহ কৰা হৈছিল। এই সংক্ৰান্তত আৰক্ষীয়ে তদন্ত অব্যাহত ৰাখিছে।

০০০০০০০

মানস ৰাষ্ট্ৰীয় উদ্যান দেশী-বিদেশী পৰ্যটকেৰে ভৰি পৰিছে। ৰাষ্ট্ৰীয় উদ্যানখনৰ সমীপৰ ফাতেমাবাদ চাহ বাগিচা পৰ্যটকৰ আকৰ্ষণৰ অন্যতম কেন্দ্ৰবিন্দু হৈ পৰিছে। চীন, আমেৰিকা, কানাডা আদি দেশৰ পৰা অহা ৬০ জনীয়া এটা বৃহৎ পৰ্যটকৰ দলে ৰাষ্ট্ৰীয় উদ্যানখন পৰিভ্ৰমণ কৰি আপ্লুত হৈ পৰে। বিদেশী পৰ্যটকৰ দলটো ফাতেমা চাহ বাগিচাৰ সৌন্দৰ্য উপভোগ কৰি অভিভূত হৈ পৰে। কিছুদিন পূৰ্বে কানাডাৰ এটা বৃহৎ দলেও ৰাষ্ট্ৰীয় উদ্যানখনৰ লগতে দাঁতি কাষৰীয়া অঞ্চলসমূহ পৰিভ্ৰমণ কৰি গৈছিল। এই সময়ছোৱাত ৰাষ্ট্ৰীয় উদ্যানখনত বনৰীয়া জীৱ-জন্তুৰ লগতে চৰাই-চিৰিকতিৰ দৃশ্যই পৰ্যটকক আকৰ্ষণ কৰে। বিগত কিছু বছৰৰ পৰা ৰাষ্ট্ৰীয় উদ্যানখনত পৰ্যটকৰ সংখ্যা বৃদ্ধিয়ে ৰাষ্ট্ৰীয় উদ্যানখনলৈ আশাৰ সঞ্চাৰ কৰিছে।

০০০০০০০

**সমাপ্ত**